**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দুদিনীয়া কাৰ্যসূচীৰে গুজৰাটত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বডোদড়াত এটা ৰোড শ্ব’ত অংশগ্ৰহণ কৰে।
২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালৰ আজি ১১ বছৰ সম্পূৰ্ণ হ’ল।
৩। গাজাত যোৱানিশা ইজৰাইলী বিমানে কৰা আক্ৰমণৰ ঘটনাত শিশুকে ধৰি কমেও ২৪ গৰাকী লোকে প্ৰাণ হেৰুৱায়।
৪। চলিত শৈক্ষিক বছৰতে ভিন ভিন দেশৰ প্ৰায় ১৫ খন বিশ্ববিদ্যালয়ে ভাৰতত তেওঁলোকৰ চৌহদ স্থাপন কৰিব বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ’বলগীয়া এখন গুৰুত্বপূৰ্ণ খেলত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰাৰ পূৰ্বে বডোদড়াত এটা ৰোড শ্ব’ত অংশগ্ৰহণ কৰে। এই সময়ছোৱাত নেতাগৰাকীক দৰ্শন কৰাৰ বাবে বৃহৎসংখ্যক লোক পথৰ দুয়োকাষে থিয় হৈ থাকে। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে দাহোডত ভাৰতীয় ৰে’ল বিভাগৰ বৈদ্যুতিক ৰে’ল ইঞ্জিন নিৰ্মাণ প্ৰকল্প এটা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই প্ৰকল্পটোত দেশীয়ভাৱে ব্যৱহাৰ কৰাৰ লগতে বিদেশলৈ ৰপ্তানি কৰিব পৰাকৈ ৯ হাজাৰ অশ্বক্ষমতা সম্পন্ন বৈদ্যুতিক ৰে’ল ইঞ্জিন নিৰ্মাণ কৰিব পৰা হ’ব। শ্ৰী মোদীয়ে লগতে এই প্ৰকল্পটোত নিৰ্মাণ কৰা প্ৰথমটো বৈদ্যুতিক ৰে’ল ইঞ্জিনো আনুষ্ঠানিকভাৱে মুকলি কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে এই প্ৰকল্পৰ জৰিয়তে অহা ১১ বছৰত এহেজাৰ ২০০টা বৈদ্যুতিক মালবাহী ৰে’ল ইঞ্জিন নিৰ্মাণ কৰি উলিওৱা হ’ব। এই প্ৰকল্পটোত নিৰ্মাণ কৰিবলগীয়া বৈদ্যুতিক ইঞ্জিনসমূহ ভাৰতীয় ৰে’ল বিভাগৰ পৰিবহণৰ ক্ষেত্ৰত বিশেষভাৱে সহায়ক হ’ব। এই ইঞ্জিনসমূহ ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে নিৰ্মাণ কৰা হ’ব আৰু ইয়াৰ ফলত পৰিৱেশৰ ক্ষেত্ৰত অনুকুল প্ৰভাৱ পৰিব।

উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱা গুজৰাটত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যখনত ৮২ হাজাৰ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালৰ আজি ১১ বছৰ সম্পূৰ্ণ হ’ল। ২০১৪ চনৰ আজিৰ দিনটোতেই শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। ইয়াৰ লগে লগে দেশৰ আধুনিক ৰাজনীতিৰ ইতিহাসত এটা নতুন অধ্যায়ৰ সূচনা হয়। জনসাধাৰণৰ ঐতিহাসিক ৰায়দানৰ জৰিয়তে দেশৰ চতুৰ্দশগৰাকী প্ৰধানমন্ত্ৰী হিচাপে ২০১৪ চনৰ ২৬ মে’ত নৰেন্দ্ৰ মোদীয়ে শপত গ্ৰহণ কৰাৰ পৰৱৰ্তী পৰ্যায়ত দেশৰ নাগৰিকসকলে এই নেতাগৰাকীৰ মাজত আশাৰ ৰেঙণি দেখিবলৈ পাইছে।

ooooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি কানাডাৰ বৈদেশিক মন্ত্ৰী অনিতা আনন্দৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তোলাৰ বিষয় লৈ আলোচনা কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড° জয়শংকৰে কানাডাৰ বৈদেশিক মন্ত্ৰীগৰাকীক সফল কাৰ্যকালৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। একেদৰে কানাডাৰ মন্ত্ৰীগৰাকীয়েও দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰা, অৰ্থনৈতিক সহযোগিতা অধিক গভীৰ কৰি তোলা আৰু অগ্ৰাধিকাৰ ভিত্তিক বিষয়সমূহক অধিক আগবঢ়াই নিয়াৰ প্ৰসংগত হোৱা গঠনমূলক আলোচনাৰ বাবে সামাজিক মাধ্যমৰ বাৰ্তাৰ জৰিয়তে ড° জয়শংকৰক

ধন্যবাদ জনায়। উল্লেখযোগ্য যে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিয়ে মে’ মাহৰ আৰম্ভণিতে তেওঁৰ মন্ত্ৰীসভাৰ সাল-সলনি ঘটাই শ্ৰীমতী আনন্দক বৈদেশিক মন্ত্ৰী হিচাপে নিযুক্তি দিছিল।

০০০০০০০০০

পাকিস্তানৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ ভাৰতে নতুন দৃষ্টিভংগী গ্ৰহণ কৰিছে আৰু এনেধৰণৰ ঘৃণনীয় কাৰ্যকলাপত জড়িত থকা সকলক কোনো কাৰণতে ৰেহাই দিয়া নহ’ব বুলি কংগ্ৰেছ সাংসদ শশী থাৰুৰে মত প্ৰকাশ কৰিছে। পাকিস্তানৰ কোনো সন্ত্ৰাসবাদীয়ে সীমান্ত পাৰ হৈ আমাৰ দেশৰ জনসাধাৰণক নিৰ্বিচাৰে হত্যা কৰাৰ কথা চিন্তাও কৰিব নোৱাৰিব বুলি তেওঁ সকীয়াই দিয়ে। তেওঁ কয়, যে সন্ত্ৰাসবাদীসকলে এনে আক্ৰমণৰ সঠিক মূল্য ভৰিব লাগিব। আমেৰিকাৰ নিউয়ৰ্কত কালি এটা অনুষ্ঠানত শ্ৰীথাৰুৰে এইদৰে কয়।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতিৰ বিষয়ে স্থিতি স্পষ্ট কৰাৰ বাবে বহুদলীয় প্ৰতিনিধি দলসমূহে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে কয়, যে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা ঘোষণা কৰাৰ বাবে ভাৰত ঐক্যবদ্ধভাৱে থিয় দি আছে।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডা নেতৃত্বাধীন বহুদলীয় প্ৰতিনিধি দলটোৱে কালি বাহৰেইনৰ উপ-প্ৰধানমন্ত্ৰী শ্বেখ খালিদ বিন অব্দুল্লা অল খালিফাক সাক্ষাৎ কৰি সীমান্তৰ সিপাৰৰ পৰা ভাৰত সন্মুখীন হৈ অহা সন্ত্ৰাসবাদী আক্ৰমণ তথা এই আক্ৰমণ প্ৰতিহত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বিষয়ে তেওঁক অৱগত কৰে।

ইপিনে, এন চি পিৰ সাংসদ সুপ্ৰিয়া ছুলে নেতৃত্বাধীন আন এটা বহুদলীয় প্ৰতিনিধিৰ দলে কালি কাটাৰৰ আগশাৰীৰ সংবাদ পত্ৰসমূহৰ সম্পাদকৰ দলৰ সৈতে মত বিনিময় কৰে। এই মত বিনিময়ৰ সময়ত প্ৰতিনিধিসকলে পেহেলগাম আক্ৰমণৰ পাছত সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে অৱগত কৰে। দলটোৱে লগতে গোলকীয় বিষয় সন্দৰ্ভত মধ্যপ্ৰাচ্য পৰিষদৰ সৈতেও আলোচনাত মিলিত হৈ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ স্থিতিৰ বিষয়ে আলোচনা কৰে।

০০০০০০০০০

গাজাত কেইবাটাও বিতাড়িত পৰিয়ালে আশ্ৰয় গ্ৰহণ কৰি থকা এখন বিদ্যালয়কে ধৰি দুটা স্থানত যোৱানিশা ইজৰাইলী বিমানে কৰা আক্ৰমণৰ ঘটনাত শিশুকে ধৰি কমেও ২৪ গৰাকী লোকে প্ৰাণ হেৰুৱায়। বেইট লাহিয়াৰ পৰা পলায়ন কৰি আহি এই লোকসকলে গাজা চিটীৰ ফাহমি আল-জাৰ্গাৱি বিদ্যালয়ত আশ্ৰয় লৈ থকা অৱস্থাত ইজৰাইলী বিমানে বিদ্যালয়খনক লক্ষ্য হিচাপে লৈ আক্ৰমণ কৰে। ইয়াৰ বিপৰীতে য়েমেনৰ হাউথি বিদ্ৰোহীয়ে ইজৰাইলৰ বেন গ্যুৰিয়ন আন্তঃৰাষ্ট্ৰীয় ক্ষেপনাস্ত্ৰৰে আক্ৰমণ সংঘটিত কৰা বুলি দাবী কৰিছে।

ইপিনে, স্পেইনে ইজৰাইলৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ বিষয়টো বিবেচনা কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০০০

পঞ্চায়তী ৰাজ মন্ত্ৰালয়ে আজি নতুন দিল্লীত ২০২৩-২৪ বৰ্ষৰ বাবে পঞ্চায়ত উন্নতি সূচ্যাংক পি এ আইৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ লেখন কৰ্মশালা আয়োজন কৰিছে। এই উপলক্ষে দিয়া ভাষণত পঞ্চায়তী ৰাজ মন্ত্ৰালয়ৰ সচিব বিবেক ভৰদ্বাজে কয়, যে পি এ আইত এশতকৈও অধিক সূচক আছে আৰু ই সামাজিক বিকাশৰ এখন বিস্তৃত এখন ছবি তুলি ধৰিব পাৰে। এই অনুষ্ঠানতে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে পঞ্চায়ত উন্নতি সূচ্যাংক ২.০ শীৰ্ষক এটা প’ৰ্টেলো উদ্বোধন কৰে। ইয়াৰ লগতে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে পি এ আইৰ এখন পুস্তিকাও প্ৰকাশ কৰে।

০০০০০০০০০

চলিত শৈক্ষিক বছৰতে ভিন ভিন দেশৰ প্ৰায় ১৫ খন বিশ্ববিদ্যালয়ে ভাৰতত তেওঁলোকৰ চৌহদ স্থাপন কৰিব বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। ইয়াৰ বাবে চৰকাৰে ইতিমধ্যে বিদেশী বিশ্ববিদ্যালয়সমূহক অনুমোদন দিছে। শ্ৰী প্ৰধানে নতুন দিল্লীত আজি ব্ৰিটেইনৰ লিভাৰপুল বিশ্ববিদ্যালয়ত আনুষ্ঠানিক চুক্তিপত্ৰ হস্তান্তৰ কাৰ্যসূচীত ভাষণ দি এই বিষয়ে জানিবলৈ দিয়ে।

সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী প্ৰধানে অহা বছৰৰ পৰা লিভাৰপুল বিশ্ববিদ্যালয়ৰ কাম-কাজ আৰম্ভ হ'ব বুলি কয়। মন্ত্ৰীগৰাকীয়ে গুজৰাটত অষ্ট্ৰেলিয়াৰ দুখন বিশ্ববিদ্যালয়ে শৈক্ষিক কাৰ্যসূচী আৰম্ভ কৰিছে বুলি জানিবলৈ দিয়ে।

০০০০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউৰোপীয় সংঘৰ সৈতে শুল্ক সম্পৰ্কীয় আলোচনাৰ সময়সীমা অহা ৯ জুলাইলৈকে বৃদ্ধি কৰিছে। ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্চুলা ভনডেৰ লিয়েনে কালি ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে ফোনযোগে কথা-বতৰা হোৱাৰ বিষয়ে প্ৰকাশ কৰাৰ পাছতে এই বিষয়ে জানিব পৰা গৈছে। ট্ৰাম্পে পূৰ্বে ইউৰোপীয় সংঘৰ অধিকাংশ সামগ্ৰীতে ২০ শতাংশ শুল্ক আৰোপ কৰিছিল যদিও পাছত ৮ জুলাইলৈকে এই শুল্ক ১০ শতাংশতে সীমাবদ্ধ ৰখা হ'ব বুলি প্ৰকাশ কৰিছিল। অৱশ্যে যোৱা শুকুৰবাৰে আলোচনাৰ গতি ধীৰ হোৱাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ইউৰোপীয় সংঘৰ সামগ্ৰীসমূহৰ শুল্ক ৫০ শতাংশ বৃদ্ধি কৰা হ'ব বুলি ভাবুকি দিছিল।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন গুৰুত্বপূৰ্ণ খেলত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। পইণ্টৰ তালিকাত গুজৰাট টাইটান্‌ছ দলটো সম্প্ৰতি শীৰ্ষস্থানত আছে যদিও আজিৰ খেলত পঞ্জাব আৰু মুম্বাইৰ মাজৰ জয়লাভ কৰা দলটোৱে গুজৰাটক চেৰ পেলাই আগবাঢ়ি যাব পাৰিব। আনহাতে, খেলখনত পৰাজয়বৰণ কৰা দলটোৱে কেৱল ফাইনেলত স্থান লাভ কৰাৰ অতিৰিক্ত সুযোগ এটা হেৰুওৱাই নহয়, বৰঞ্চ প্লে' অফৰ পূৰ্বৰ পৰ্যায়ত গতি হেৰুওৱাৰো সম্ভাৱনা থাকিব। একেদৰে প্লে'অফত স্থান নিশ্চিত কৰা চতুৰ্থটো দল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বাবেও পইণ্টৰ তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰাৰ সুযোগ লাভ কৰিব পৰাকৈ এখন খেল খেলিবলৈ বাকী আছে।

কালি নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হোৱা প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ১১০ ৰানত পৰাস্ত কৰে। কালি অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছৰ বিৰুদ্ধে ৮৩ ৰানত জয়লাভ কৰে।

০০০০০০০০০

**সমাপ্ত**